JAGIROAD COLLEGE ESTD-1974 JAGIROAD, ASSAM

# জাগীৰোড মহাবিদ্যালয়ৰ

## ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰী সকলৰ উদ্দেশ্যে বিশেষ ঘোষণা

**তাৰিখ- 04-11-2022**

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলোকে জনোৱা হয় যে জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক মহাবিদ্যালয়ত পূৰ্বৰে পৰা বৰ্তী থকা মেন্টৰ-মেন্টি (পৰামৰ্শদাতা আৰু পৰামৰ্শ গ্ৰহণকাৰী) ব্যৱস্থাটো অধিক ফলপ্ৰসু কৰাৰ উদেশ্যৰে 4 নবেম্বৰ, 2022 তাৰিখে অনুষ্ঠিত হোৱা শৈক্ষিক সমিতিৰ সভাই দল সমূহৰ নামসমূহ নতুনকৈ নামাকৰণ কৰি Blue (কলং), Green (কপিলী), Red (কিলিং) আৰু Yellow (ডিগাৰু) House/Group নামেৰে নামাংকৃত কৰাত অনুমোদন জনাইছে ।

সকলোৰে জ্ঞাতাৰ্থে এই দল গঠন কৰাৰ নিয়মাৱলী সমূহ পুণৰ উল্লেখ কৰা হ'ল । দলৰ সদস্য সকল নিম্নোক্ত ধৰণেৰে নিৰ্বাচিত কৰা হয় –

এই মেন্টৰ-মেন্টি (পৰামৰ্শদাতা আৰু পৰামৰ্শ গ্ৰহণকাৰী) ব্যৱস্থাটোত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ পৰা স্নাতকোত্তৰ শাখালৈকে সকলো শ্ৰেণীৰ সমূহ শিক্ষাৰ্থীক মাত্ৰ চাৰিটা দলত বিভক্ত কৰা হয় । এই চাৰিটা দলক তেওঁলোকৰ নিৰ্দিষ্ট শ্ৰেণীৰ ৰোল নম্বৰৰ ক্ৰম অনুসৰি দল সমূহ ভাগ কৰা হয়। ই এনে ধৰণৰ-

**প্ৰথম দল Blue(কলং) ৰ সদস্য সকল** :: শ্ৰেণী-ৰোল নম্বৰ 1,5,9,13,17,21,................. ইত্যাদি

**দ্বিতীয় দল Green (কপিলী) ৰ সদস্য সকল** :: শ্ৰেণী-ৰোল নম্বৰ 2,,6,10,14,18,22,........ ইত্যাদি

**তৃতীয় দল Red(কিলিং) ৰ সদস্য সকল** :: শ্ৰেণী-ৰোল নম্বৰ 3,7,11,15,19,23,............ ইত্যাদি

**চতুৰ্থ দল Yellow(ডিগাৰু) ৰ সদস্য সকল** :: শ্ৰেণী-ৰোল নম্বৰ 4,8,12,16,20,24,....... ইত্যাদি

এই শ্ৰেণী-ৰোল নম্বৰসমূহ সকলো শ্ৰেণীৰ সকলো শিক্ষাৰ্থীৰ বাবে প্ৰযোজ্য । অৰ্থাৎ সকলো ছাত্ৰ-ছাত্ৰী কেৱল চাৰিটা মাত্ৰ দল, গ্ৰুপ বা হাউচ ব্যৱস্থাৰ অধীনত অন্তৰ্ভুক্ত কৰা হয় ।

বিশেষভাৱে উল্লেখযোগ্য কথাটো হৈছে এই যে এই হাউচ সমূহৰ তত্বাৱধান কৰিবলৈ অধ্যাপক-অধ্যাপিকা সকলকো চাৰিটা ভাগত ভাগ কৰা হয় আৰু প্ৰতিটো হাউচতে প্ৰতিটো বিভাগৰ একোজনকৈ শিক্ষক অন্তৰ্ভুক্ত কৰা হয় । এই হাউচ সমূহৰ তত্বাৱধায়ক সকলক - কলা, বিজ্ঞান আৰু বাণিজ্য-ভকেচন এই চাৰিওটা শাখাৰ মাজৰপৰা নিৰ্বাচিত কৰা হয় ।

সভাৰ সিদ্ধান্ত অনুসৰি হাউচ বা দল সমূহক স্থানীয় নদীৰ নামেৰে আৰু শিক্ষাৰ্থী সকল নিজ নিজ হাউচৰ সদস্য চিনাকি হোৱাৰ সুবিধা দিয়াৰ উদেশ্যেৰে চাৰিটা বিশেষ ৰং সংলগ্ন কৰা হৈছে ।

সেয়েহে এতিয়াৰ পৰা মহাবিদ্যালয় পৰ্যায়ত হ'বলগীয়া প্ৰতিযোগিতা সমূহ এই চাৰিটা হাউচৰ মাজত অনুষ্ঠিত কৰোৱা হ'ব ।

তদুপৰি হাউচৰ মাজৰ সদস্য সকলে ইজনে সিজনক চিনি পোৱাৰ সুবিধাৰ্থে প্ৰতি সপ্তাহৰ শণিবাৰে নিজ নিজ হাউচৰ ৰঙৰ মাৰ্জিত টি-চাৰ্ট, চাৰ্ট বা কুৰ্টা আৰু/বা একে ৰঙৰ টুপি পৰিধান কৰাৰ অনুমতি প্ৰদান কৰা হৈছে । এই ক্ষেত্ৰত মেন্টৰ অধ্যাপক-অধ্যাপিকা সকলকো নিজ নিজ হাউচৰ এই ড্ৰেচ কোড (সাজ-পোচাক) পৰিধান কৰাৰ অনুৰোধ কৰা হৈছে যাতে নিজ নিজ হাউচৰ মেন্টি সকলে অনুপ্ৰেৰণা লাভ কৰিব পাৰে ।

<u>বিশেষ দ্ৰষ্টব্য:- এই নতুন নিয়মাৱলী 5 নৱেম্বৰ,2022 তাৰিখৰ পৰা প্ৰযোজ্য হ'ব । এই ক্ষেত্ৰত নিৰ্দিষ্ট হাউচৰ ৰঙৰ সাজ-পোচাক নথকা শিক্ষাৰ্থী সকলে মহাবিদ্যালয়ৰ প্ৰচলিত ইউনিফৰ্ম পৰিধান কৰিব লাগিব ।</u>

Bchoj 4/11/2022
অধ্যক্ষ
জাগীৰোড মহাবিদ্যালয়

Principal
Jagiroad College
Jagiroad